Total No. of Printed Pages—8

**6 SEM TDC GEAS (CBCS)**
**6 (A/B/C/D)**

# 2023

( May/June )

## ASSAMESE

( Generic Elective )

Paper : GE–6 (A/B/C/D)

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : GE–6 (A)

( অসমীয়া সাহিত্যৰ শিক্ষণ পদ্ধতি )

**( Teaching of Assamese Literature )**

১। (ক) সাহিত্যৰ পাঠদান কৰোঁতে গুৰুত্ব দিবলগা বিভিন্ন দিশবোৰৰ বিষয়ে আলোচনা কৰা। ১৬

*অথবা*

(খ) সাহিত্য শিক্ষণৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ৮+৮=১৬

২। (ক) সাহিত্যৰ পাঠ শিক্ষাদানৰ ক্ষেত্ৰত পাঠ-পৰিকল্পনাই কেনে ভূমিকা গ্ৰহণ কৰে, আলোচনা কৰাঁ। ১৬

*অথবা*

(খ) পাঠ-পৰিকল্পনা প্ৰস্তুত কৰিবলৈ যাওঁতে গুৰুত্ব দিবলগা বিভিন্ন দিশবোৰৰ বিষয়ে আলোচনা কৰাঁ।

৩। (ক) ভিন্ ভিন্ স্তৰত কবিতা শিক্ষণৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৮+৮=১৬

*অথবা*

(খ) কবিতাৰ শিক্ষাদানত ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতিবোৰৰ বিষয়ে আলোচনা কৰাঁ। ১৬

৪। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৮×২=১৬

(ক) গদ্য শিক্ষণৰ সাধাৰণ উদ্দেশ্য

(খ) হাৰ্বাৰ্টৰ পঞ্চাংক পদ্ধতি

(গ) ত্ৰিসোপান পদ্ধতি

৫। (ক) সাহিত্যৰ সৌন্দৰ্য বিচাৰ বুলিলে কি বুজা? সাহিত্যৰ সৌন্দৰ্য বিচাৰত 'ৰচনাৰীতি'ৰ কেনেদৰে আলোচনা কৰা হয়, বৰ্ণনা কৰাঁ। ৪+১২=১৬

*অথবা*

(খ) 'সাহিত্যৰ নান্দনিক সৌন্দৰ্য বিচাৰ' কেনেদৰে কৰা হয়, আলোচনা কৰাঁ। ১৬





Paper : GE–6 (B)

( অসমীয়া ভাষাৰ শিক্ষণ পদ্ধতি )

**( Teaching of Assamese Language )**

১। (ক) ভাষা শিক্ষণৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে এটি আলোচনা দাঙি ধৰাঁ। ৮+৮=১৬

*অথবা*

(খ) ভাষা শিক্ষণৰ ক্ষেত্ৰত শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ ভূমিকাৰ বিষয়ে আলোচনা কৰাঁ। ১৬

২। (ক) অসমীয়া ভাষাৰ মূল সম্বন্ধে প্ৰচলিত মতকেইটা উল্লেখ কৰাঁ। এই মতকেইটাৰ ভিতৰত কোনটো মত তুমি গ্ৰহণীয় বুলি ভাবাঁ, আলোচনা কৰাঁ। ৮+৮=১৬

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰৰ মূল উৎসকেইটা কি কি? সেইবোৰৰ এটি আলোচনা আগবঢ়োৱাঁ। ৬+১০=১৬

৩। যি কোনো দুটাৰ বিষয়ে আলোচনা কৰাঁ : ৭×২=১৪

(ক) ব্যাকৰণ শিক্ষাৰ আৱশ্যকতা

(খ) ব্যাকৰণ শিক্ষণত অৱৰোহী আৰু আৰোহী পদ্ধতি

(গ) অসমীয়া ব্যাকৰণৰ বৈশিষ্ট্য

৪। (ক) অসমীয়া ভাষাৰ উচ্চাৰণত কেনেধৰণৰ সমস্যা হয়, আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ বিভিন্ন সমস্যাসমূহ আলোচনা কৰাঁ।

৫। (ক) দ্বিতীয় ভাষা হিচাপে অসমীয়া ভাষা শিকাৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে আলোচনা কৰাঁ। ৭+৭=১৪

*অথবা*

(খ) দ্বিতীয় ভাষা হিচাপে অসমীয়া ভাষা আয়ত্ত কৰাব ক্ষেত্ৰত সহায়ক দিশসমূহ আলোচনা কৰাঁ। ১৪

৬। উত্তৰ দিয়াঁ : ১×৫=৫

(ক) 'নিকা অসমীয়া ভাষা'ৰ লেখক কোন?

(খ) স্বৰৰ অনুনাসিকতা অসমীয়াত বৰ্ণগত হয়নে?

(গ) 'চেলাউৰি' শব্দটো কোন ভাষাৰ?

(ঘ) "যি পুথি পঢ়ি ভাষা শুদ্ধকৈ ক'ব আৰু লিখিব পাৰি, সেয়েঁই ব্যাকৰণ।" কথাষাৰ কাৰ?

(ঙ) অসমীয়াত কোনটো ধ্বনি আদিস্থানত প্ৰয়োগ নহয়?





Paper : GE-6 (C)

( লোক পৰিৱেশ্য কলা )

**( Performing Arts )**

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ঝুমুৰ নৃত্য কোন উৎসৱৰ লগত জড়িত?

(খ) দেশী সংগীতক অন্য কি নামেৰে জনা যায়?

(গ) ৰামতাল কিহেৰে সজা হয়?

(ঘ) 'বাগৰুম্বা' শব্দৰ অৰ্থ কি?

(ঙ) 'নাঙেলী গীত'ৰ প্ৰচলন অসমৰ কোন ঠাইত পোৱা যায়?

(চ) বৰষুণ আহ্বান কৰি নচা এবিধ নাচৰ নাম উল্লেখ কৰাঁ।

(ছ) ৰায়মণ ওজাপালিৰ 'ৰায়মণ' শব্দৰ অৰ্থ কি?

(জ) 'হাচ্ছা কেকান' কোন জনগোষ্ঠীৰ লগত জড়িত?

২। যি কোনো **আঠোটাৰ** উত্তৰ দিয়াঁ : ২×৮=১৬

(ক) লোকনৃত্যৰ দুটা বৈশিষ্ট্য লিখাঁ।

(খ) দুবিধ আৱনদ্ধ বাদ্যৰ নাম লিখাঁ।

(গ) 'চৰ্যাগীতি' কোন সময়ৰ ৰচনা? গীতবোৰ কোনটো ধৰ্মৰ লগত জড়িত?

(ঘ) শ্ৰমৰ লগত জড়িত দুবিধ লোকগীতৰ নাম লিখাঁ।

(ঙ) বাৰে চহৰীয়া ভাওনা ক'ত আৰু কিমান বছৰৰ মূৰে মূৰে অনুষ্ঠিত হয়?

(চ) ভটিমা কেইপ্ৰকাৰৰ আৰু কি কি?

(ছ) পাঁচালী গীতৰ দুজন ৰচকৰ নাম লিখাঁ।

(জ) মেলাৰাগ আৰু বন্ধাৰাগ কি?

(ঝ) 'নাট্যশাস্ত্ৰ'ৰ মতে চাৰিবিধ অভিনয় কি কি?

(ঞ) চালি নাচৰ প্ৰৱৰ্তক কোন? তেওঁ ক'ৰ পৰা এই নাচৰ আৰ্হি গ্ৰহণ কৰিছিল?

৩। চমু টোকা লিখাঁ (যি কোনো **তিনিটা**) : ৪×৩=১২

(ক) কুশান গান

(খ) দেওধনী নৃত্য

(গ) গুমৰাগ

(ঘ) ফাৰকান্তি

৪। (ক) লোককলাৰ সংজ্ঞা দি ইয়াৰ স্বৰূপ বিচাৰ কৰাঁ। ২+১০=১২

*অথবা*

(খ) পৰিৱেশ্য কলাৰ শ্ৰেণীবিভাজন কৰি যি কোনো এটা শ্ৰেণীৰ বিষয়ে এটি টোকা লিখাঁ। ২+১০=১২

৫। (ক) লোক পৰিৱেশ্য কলাৰ অংগ হিচাপে বাদ্যযন্ত্ৰৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰাঁ। ১২

*অথবা*

(খ) অংকীয়া নাটৰ বিশেষত্বসমূহ আলোচনা কৰাঁ।





৬। (ক) নৃত্ত আৰু নৃত্যৰ মাজত পাৰ্থক্য কি দেখুৱাই বিহুনাচৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ৩+৭=১০

*অথবা*

(খ) খুলীয়া ভাউৰীয়া নাটৰ বিষয়ে এটি টোকা লিখাঁ। ১০

৭। (ক) ওজাপালিৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰি লোক পৰিৱেশ্য কলা হিচাপে ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ৪+৬=১০

*অথবা*

(খ) লোকগীতৰ লক্ষণসমূহৰ আধাৰত বিহুগীতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১০

## Paper : GE–6 (D)

## ( অসমৰ সংস্কৃতি আৰু সাংস্কৃতিক পৰ্যটন )

## ( Culture of Assam and Cultural Tourism )

১। (ক) প্ৰাকৃতিক পৰিবেশ বুলি ক'লে কি বুজা? অসমৰ প্ৰাকৃতিক পৰিবেশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ৩+১০=১৩

*অথবা*

(খ) "অসমৰ গ্ৰাম্য জীৱনত পৰ্যটনৰ বিপুল সম্ভাৱনা আছে।" কথাষাৰৰ যুক্তিযুক্ততা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১৩

২। অসমৰ সাংস্কৃতিক পৰ্যটনৰ দৃষ্টিৰে 'শ্ৰীসূৰ্য পাহাৰ' *অথবা* 'উমানন্দ মন্দিৰ'ৰ সম্ভাৱনা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰাঁ। ১২

৩। (ক) অসমত চিকিৎসা পৰ্যটনৰ সম্ভাৱনা আছেনে? যদি আছে, যুক্তি সহকাৰে এটি আলোচনা যুগুত কৰাঁ। ১২

*অথবা*

(খ) অসমৰ নদী পৰ্যটনৰ মূল প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰি ইয়াক কিদৰে সমাধান কৰিব পাৰি, আলোচনা কৰাঁ।

৪। (ক) অসমৰ সত্ৰ নগৰী মাজুলীৰ সাংস্কৃতিক পৰ্যটনৰ ক্ষেত্ৰত থকা ইতিবাচক আৰু নেতিবাচক দিশবোৰ যুক্তি সহকাৰে এটি আলোচনা আগবঢ়োৱাঁ। ১৫

*অথবা*

(খ) অসমৰ যি কোনো এখন জিলাৰ পুৰাতাত্ত্বিক পৰ্যটনস্থলীবোৰ চিনাক্ত কৰি সেই ঠাইবোৰৰ পৰ্যটনৰ সম্ভাৱনাৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰাঁ।

৫। চমু টোকা লিখাঁ (যি কোনো চাৰিটা) : ৭×৪=২৮

(ক) অসমৰ জনজাতীয় জীৱন

(খ) অসমৰ সেউজ পৰ্যটন

(গ) পৰ্যটনৰ দৃষ্টিৰে চৰাইদেউ

(ঘ) ধৰ্মীয় পৰ্যটনস্থলীৰূপে বৰপেটা

(ঙ) অসমৰ যাতায়াতৰ সা-সুবিধা

(চ) অসমৰ পৰ্যটনৰ পৰিবেশ

★★★